**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-JUNE-2026
**Time :** 1800  HRS

***Assamese Evening Bulletin***
***Headlines***
——————————————

০০০০০০

১। আজি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস। ৰাজ্যৰ ঠায়ে ঠায়ে বিভিন্ন কাৰ্যসূচীৰে দিৱস উদযাপন।

২। অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছত মন্ত্ৰীসকলৰ বিভিন্ন জিলাৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান।

৩। শিৱসাগৰ আৰক্ষীৰ মাৰণাস্ত্ৰ সৰবৰাহকাৰীৰ বৃহৎ চক্ৰৰ চাৰিজন সদস্যক গ্ৰেপ্তাৰ, তিনিজনক সোধা-পোচাৰ বাবে আটক।

আৰু

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি কানাডা-বছনিয়াৰ মুখামুখি।

০০০০০০

ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে ধেমাজি জিলাতো আজি বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস উদযাপন কৰা হয়। ধেমাজি জিলা শ্ৰম বিষয়াৰ কাৰ্যালয় আৰু ধেমাজি ব্যৱসায়ী সংস্থাৰ যৌথ উদ্যোগত আৰু জিলাখনৰ বিভিন্ন চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত এই দিৱস উদযাপন কৰা হয়। দিৱস উপলক্ষে ধেমাজি মটৰ শ্ৰমিক ই-ৰিক্সা সন্থাৰ উদ্যোগত সজাগতা সমদল কাৰ্যসূচী অনুষ্ঠিত হয়। ধেমাজি ব্যৱসায়ী সন্থা আৰু চেম্বাৰ্ছ অব কমাৰ্চ ধেমাজি জিলাই সজাগতা পত্ৰ বিতৰণ, দোকান-প্ৰতিষ্ঠানসমূহত সজাগতামূলক পোষ্টাৰ সংলগ্নকৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজিৰ জিলা শ্ৰম বিষয়া ড০ ভৰজিত দলে বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস সন্দৰ্ভত এইদৰে কয় -

বাইট

বিদ্যালয়সমূহতো এই দিৱসৰ সৈতে সংগতি ৰাখি কুইজ প্ৰতিযোগিতা, শপত গ্ৰহণ অনুষ্ঠান আদি বিভিন্ন সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। এই সভাত ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে স্থানীয় লোকে অংশগ্ৰহণ কৰে।

০০০০০০

শ্ৰীভূমি জিলাতো বিশ্ব শিশু শ্ৰম বিৰোধী দিৱস পালন কৰা হয়। এই উপলক্ষে শ্ৰম বিভাগৰ ফালৰ পৰা শ্ৰীভূমি চহৰত শিশু শ্ৰম বিৰোধী সজাগতা সৃষ্টিৰ উদ্দেশ্যে মাইকযোগে ব্যাপক প্ৰচাৰ অভিযান চলোৱা হয়। শ্ৰম বিভাগ আৰু শিশু কল্যাণৰ ক্ষেত্ৰত কাম কৰা স্বেচ্ছাসেৱী সংস্থা উডিচিৰ সহযোগিতাত শ্ৰীভূমি চহৰৰ বিভিন্ন স্থানত সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। স্বেছাসেৱী সংস্থাটোৱে এটা বিবৃতিত প্ৰকাশ কৰে যে ৰাজ্যত শিশু

শ্ৰমিক সমস্যাই জটিল ৰূপ ধাৰণ কৰিছে। ব্ৰহ্মপুত্ৰ উপত্যকাৰ চাহ বাগিছাসমূহৰ পৰা আৰম্ভ কৰি নগৰৰ ব্যস্ত ধাবা, গেৰেজ আৰু গৃহস্থালীৰ কামলৈকে সকলো ঠাইতে শিশু শ্ৰমিক দেখা পোৱা যায়। দাৰিদ্ৰ, বানপানী আৰু সুযোগৰ অভাৱৰ বাবে বহু শিশু শ্ৰমিক হিচাপে দায়িত্ব পালন কৰিবলগীয়া হৈছে, যাৰ বাবে তেওঁলোকৰ শিক্ষা আৰু সুৰক্ষিত শৈশৱৰ মৌলিক অধিকাৰ লংঘন হৈছে। শিশু শ্ৰমৰ বিৰুদ্ধে শূন্য সহনশীল নীতি গঢ়ি তোলাৰ বাবেও সংস্থাটোৱে বিবৃতিত প্ৰকাশ কৰে। কোনো শিশু বিপজ্জনক বা অবৈধ পৰিস্থিতিত কাম কৰাৰ খবৰ লাভ কৰিলে, ৰাষ্ট্ৰীয় সহায়ক নম্বৰ ১০৯৮ অথবা অনলাইন পেন্সিল পোৰ্টেলত অভিযোগ জনাবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০

বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱসৰ লগত সংগতি ৰাখি আজি ডিব্ৰুগড় জিলাৰ মহিলা আৰু শিশু উন্নয়ন বিভাগৰ জিলা সংকল্প মহিলা সৱলীকৰণ কেন্দ্ৰৰ উদ্যোগত তথা অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযান, জিলা শিশু সুৰক্ষা গোট, চাইল্ডলাইন আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ বিভিন্ন চাহ বাগিছা অঞ্চলত কিশোৰ, কিশোৰী আৰু অভিভাৱকৰ মাজত এই সজাগতা অভিযানৰ আয়োজন কৰা হয়। এই সজাগতা সভাবোৰত সমল ব্যক্তিসকলে শিশু শ্ৰমৰ ক্ষেত্ৰত থকা বাধ্যবাধকতা, আইনী ব্যৱস্থা, বিপদত পৰা শিশুক উদ্ধাৰৰ বাবে থকা ব্যৱস্থাৱলীৰ ওপৰত আলোকপাত কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসকলে বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাৰ পাছতে তেওঁলোকে সেই জিলাসমূহ ভ্ৰমণ কৰি বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লয়। মন্ত্ৰীসকলে জিলা প্ৰশাসনৰ সৈতে সমন্বয় ৰক্ষা কৰি উন্নয়ন, সু-শাসন আৰু সমৃদ্ধিৰ দিশত চৰকাৰৰ যাত্ৰাক গতিশীল কৰাৰ চেষ্টা চলায়। লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বীসকলৰ সৈতে পৰ্যালোচনা বৈঠকত ভাগ লয়। ওদালগুৰি জিলাৰ অভিভাৱক মন্ত্ৰী নীলিমা দেৱীয়ে কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত বিভিন্ন বিভাগৰ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত অংশ লয়। বৈঠকত জনকল্যাণমূলক আঁচনিসমূহৰ ফলপ্ৰসু ৰূপায়ণ, আন্তঃগাঁথনি উন্নয়ন, প্ৰশাসনিক দক্ষতা তথা জিলাখনৰ সামগ্ৰিক অগ্ৰগতিৰ দিশসমূহ আলোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ সমস্যাসমূহ শীঘ্ৰেই সমাধানৰ বাবে সকলো বিভাগে সমন্বিত প্ৰচেষ্টাৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে।

০০০০০০

অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সভাকক্ষত আজি জ্যেষ্ঠ গীতিকাৰ সন্ধ্যা দেৱী, কণ্ঠশিল্পী মিণু বৰুৱা, গীতিকাৰ-অভিনেতা জেতবন বৰুৱা আৰু গায়ক জয়ন্ত নাথক **গীত ৰত্ন নগেন বৰা স্মাৰক সন্মান** - ২০২৬ প্ৰদান কৰা হয়। গীতিকাৰ, সাহিত্যিক, সাংবাদিক নগেন বৰাৰ মৃত্যু তিথি উপলক্ষে আয়োজিত এই অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি বসন্ত কুমাৰ গোস্বামীয়ে নগেন বৰাৰ **নিৰ্বাচিত গীত** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰে। সভাৰ আৰম্ভণিতে প্ৰয়াত নগেন বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজলন কৰা হয়। অনুষ্ঠানত ভূপেন হাজৰিকা আন্তৰ্জাতিক ফাউণ্ডেছনৰ সম্পাদক ৰঞ্জন কুমাৰ দত্তই নিৰ্দিষ্ট বক্তাৰ ভাষণত নগেন বৰাৰ সৃষ্টিকৰ্মৰ ওপৰত আলোকপাত কৰে।

০০০০০০

শিৱসাগৰ আৰক্ষীয়ে মাৰণাস্ত্ৰ সৰবৰাহকাৰীৰ এটা বৃহৎ চক্ৰৰ চাৰিজন সদস্যক আজি গ্ৰেপ্তাৰ কৰাৰ লগতে আন তিনিজনক সোধা-পোচাৰ বাবে আটক কৰে। আৰক্ষীৰ জালত পৰা অস্ত্ৰ সৰবৰাহকাৰীকেইজন হ'ল শিৱসাগৰ চহৰৰ গণকপট্টিৰ অচিন্ত বৰুৱা, কাৰ্বি আংলং জিলাৰ খটখটিৰ অমৰ দাস, শিৱসাগৰ চেৰেকাপাৰৰ বিক্ৰম বৰুৱা আৰু ভাটিয়াপাৰাৰ পাপু দাস বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে এই চক্ৰটোৰ পৰা এটা হস্তনিৰ্মিত পিষ্টল উদ্ধাৰ কৰিছে। এই সন্দৰ্ভত শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক মঈদুল ইছলাম বৰাই এইদৰে কয়-

বাইট

ooooo

ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সমিতিৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি ডিব্ৰুগড়তো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ১২ বছৰৰ বিশ্বাস, উন্নয়ন আৰু জনকল্যান বিষয়ক এটা মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী পদক্ষেপ আৰু সময়োপযোগী নীতি নিৰ্ধাৰণৰ ফলত দেশে আজি বিশ্বত সুকীয়া স্থান লাভ কৰা বুলি উল্লেখ কৰে। সংবাদমেলত জিলা সভাপতি দুলাল বৰা, ৰাজ্যৰ কেবিনেট মন্ত্ৰী বিমল বৰা আৰু ৰামেশ্বৰ তেলী, বিধায়ক তৰংগ গগৈ আৰু চক্ৰধৰ গগৈকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

oooooo

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা টৰণ্টো ষ্টেডিয়ামত গ্ৰুপ বিৰ এখন খেলত সহ আয়োজক দেশ কানাডা বচনিয়া -হাৰ্জেগভিনাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত অনুষ্ঠিত হ'ব। দুয়োখন দেশ প্ৰথমবাৰৰ বাবে বিশ্বকাপ প্ৰতিযোগিতাত মুখামুখি হ'ব। গ্ৰুপ এ-ৰ খেলত আজি দক্ষিণ কোৰিয়াই চেক-ৰিপাব্লিকক এখন উত্তেজনামূলক খেলত ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। ইয়াৰ পূৰ্বে যোৱা নিশা মেস্কিক' মহানগৰীৰ এজটেকা ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলত মেস্কিক'ৰে দক্ষিণ আফ্ৰিকাক ২-০ গলত পৰাস্ত কৰে। যোৱা নিশা মেস্কিক' মহানগৰীত ফিফা বিশ্বকাপ ২০২৬ প্ৰতিযোগিতাৰ এটা বৃহৎ সমাৰোহেৰে মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানত গোলকীয় সংগীত আৰু সংস্কৃতিক প্ৰতিফলিত কৰি চাকিৰা আৰু বাৰ্ণাবয়ে প্ৰতিযোগিতাৰ আনুষ্ঠানিক গীত **দায় দায়** পৰিৱেশন কৰে। কাৰ্যসূচীত মেস্কিক'ৰ চহকী সংগীতক প্ৰতিফলিত কৰি আলেজেণ্ডো ফাৰ্ণাণ্ডেজ, লিলা ডʼনচ, বেলিণ্ডায়ে মাহজুৰি চলিবলগীয়া এই প্ৰতিযোগিতাৰ মুকলি অনুষ্ঠানত গীত পৰিৱেশন কৰে।

oooooo

**সমাপ্ত**